Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১০

প্ৰত্যাহ্বান

অংশ - ২

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জুলী বৰুৱা (২)

প্রশ্নকর্তা : নমস্কাৰ, এটা অনাকাংক্ষিত বাছ দুর্ঘটনাত আপুনি পতিত হৈছিল। যাৰ বাবে আপুনি চিৰদিনলৈ এক শাৰীৰিক প্রত্যাহ্বানৰ সন্মুখীন হ'বলগা হ'ল। সেই দুর্ঘটনাটোৰ বিষয়ে অলপ ক'বনে?

জুলী বৰুৱা : হয়, গুৱাহাটীৰ পৰা লখিমপুৰৰ ঘৰলৈ গৈ থকা অৱস্থাত বাছ দুর্ঘটনাত পতিত হৈ মই মোৰ দুয়োখন হাত হেৰুৱাইছিলোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হাত দুখন হেৰুৱাই প্ৰথমে মই বৰ অসহায় অনুভৱ কৰিছিলোঁ। এক সীমাহীন বিষাদ বেদনাই মোক আৱৰি ধৰিছিল। মই চকুৰে ধোঁৱা-কোঁৱা দেখিছিলোঁ। নানা চিন্তাই মোক জুমুৰি দি ধৰিছিল।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰশ্নকৰ্তা : এনে দুখৰ মাজতো হেনো আপুনি কবিতা লিখিছিল?

জুলী বৰুৱা : হয়, মই লিখা কবিতা এটাৰ শিৰোনামা আছিল—

'আপোনাৰ দৰে মোৰো দুখন হাত আছিল'

প্ৰশ্নকৰ্তা : কবিতাটোৰ এফাকি গাই শুনাব নেকি?

জুলী বৰুৱা :

আপোনাৰ দৰে মোৰো দুখন হাত আছিল।
যি দুহাতেৰে সাজিছিলোঁ বালিঘৰ,
মাৰ চাদৰৰ আঁচল ফালি খেলিছিলোঁ দৰা-কইনা
আৰু আলফুলে ধৰিছিলোঁ নানাৰঙী পখিলা'।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রশ্নকর্তা : শুনি ভাল লাগিল। আপোনাৰ এনে দৃঢ় মনোবলৰ উৎস কি?

জুলী বৰুৱা : মানুহৰ অকুণ্ঠ মৰম মোৰ অনুপ্রেৰণাৰ উৎস। দুর্ঘটনাৰ পূর্বে আন এশগৰাকী ছোৱালীৰ দৰে ময়ো নিজৰ সপোনৰ মাজত মগ্ন আছিলোঁ। দুর্ঘটনাৰ পাছত মোৰ জীৱনৰ লক্ষ্য সলনি হৈ গ'ল আৰু এতিয়া মই অনাদৰ অৱহেলাৰ মাজত জীয়াই থকা দিব্যাংগসকলৰ বাবে ইতিবাচক কিবা এটা কৰিম বুলি ভাবিছোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰশ্নকৰ্তা : আপুনি কি কৰিম বুলি ভাবিছে, বুজাই ক'ব নেকি?

জুলী বৰুৱা : তেওঁলোকৰ বাবে মই এজোপা বৰগছ হৈ ছাঁ দিব বিচাৰোঁ। অৰ্থাৎ, তেওঁলোকৰ বাবে অন্ন, বস্ত্ৰ আৰু আৱাস নিশ্চিত কৰাৰ সপোন দেখোঁ। তেওঁলোকৰ সম্ভাৱনাক সাকাৰ ৰূপ দিয়াৰ মোৰ এক পৰিকল্পনা আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রশ্নকর্তা : বৰ ভাল কথা। মই আপোনাক আৰু দুটামান কথা সুধিব খোজোঁ। আপুনি এই কৃত্রিম হাতখনেৰে লেখা-মেলা কৰোঁতে অসুবিধা নাপায়নে?

জুলী বৰুৱা : বিশেষ নেপাওঁ, মোৰ অভ্যাস হৈ গৈছে।

প্রশ্নকর্তা : জীৱিকা নির্বাহৰ বাবে আপুনি বর্তমানে কি কৰি আছে?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জুলী বৰুৱা : মই অসম চৰকাৰৰ তথ্য আৰু জন-সংযোগ বিভাগত সহকাৰী গৱেষণা বিষয়াৰূপে বৰ্তমান কৰ্মৰত।

প্রশ্নকর্তা : এই অদম্য সাহস আৰু মনোবলৰ বাবে আপুনি সঁচাকৈয়ে প্রশংসাৰ পাত্র। আপোনাক অশেষ ধন্যবাদ।

জুলী বৰুৱা : ধন্যবাদ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সংগ্রামজ্যোতি চৌধুৰী (৩)

গুৱাহাটীত থকা সংগ্রামজ্যোতি চৌধুৰী জীৱন সংগ্রামৰ এগৰাকী অক্লান্ত সৈনিক। তুলিকাৰ যাদুৰে একোটা বিষয়ক জীৱন্ত কৰি তোলা সংগ্রামজ্যোতি এজন মূকবধিৰ যুৱক। তেওঁ এখনৰ পাছত আন এখন চিত্র বর্ণময় আৰু প্রাণৱন্ত ৰূপত অংকন কৰি নিজৰ বিৰল প্রতিভাৰ পৰিচয় দিছে। তেওঁৰ প্রতিভাৰ উমান ল'বলৈ আমি তেওঁৰ মাতৃৰ সহায় ল'ব লগা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'গুৱাহাটীৰ আর্টিষ্ট গীল্ড'ত তেওঁ চাৰুকলাৰ পাঁচবছৰীয়া ডিপ্লোমা লাভ কৰাৰ পাছত নিজাববীয়াকৈ 'চিত্রাংকন কলাকেন্দ্র' খোলে। তাত তেওঁ চিত্রকলাৰ শিক্ষাদান কৰে। সংগ্রামজ্যোতিক সফল চিত্রশিল্পী হিচাপে গঢ় দিয়া আৰু প্রতিষ্ঠা কৰাত মাতৃ শ্রীমতী আইমণি চৌধুৰীৰ ভূমিকা অপৰিসীম।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সংগ্রামজ্যোতিয়ে এতিয়ালৈকে বিভিন্ন চিত্রাংকন প্রতিযোগিতাত অংশগ্রহণ কৰি সর্বভাৰতীয় পর্যায়ত অনেক বঁটা লাভ কৰিছে। আনহাতে, পঞ্চম ভাৰতীয় কলা প্রতিযোগিতাত দিব্যাংগসকলৰ জীৱন সমৃদ্ধিৰ শিতানত তেওঁ প্রথম পুৰস্কাৰ লাভ কৰে। তদুপৰি, ৰাষ্ট্রীয় সংহতিক কলাৰ মাধ্যমত মূর্ত কৰিবলৈ আয়োজিত কৰা কলা প্রদর্শনীত অংশগ্রহণ কৰি তেওঁ ভূয়সী প্রশংসা অর্জন কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁৰ কলাকৃতিয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিশেষকৈ জাপান, ফ্ৰান্স আদি দেশত সমাদৰ লভিবলৈ সক্ষম হৈছে।

সংগ্ৰামজ্যোতিৰ প্ৰবল আত্মবিশ্বাস আৰু অতুলনীয় কলা-কীৰ্তিত আমি সকলো গৌৰাৱান্বিত।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। জুলী বৰুৱাই তেওঁৰ হাত দুখন কেনেকৈ হেৰুৱাইছিল?

(ক) লখিমপুৰৰ পৰা গুৱাহাটীৰ ঘৰলৈ গৈ থকা অৱস্থাত বাছ দুর্ঘটনাত পতিত হৈ জুলী বৰুৱাই দুয়োখন হাত হেৰুৱাইছিল।

(খ) গুৱাহাটীৰ পৰা লখিমপুৰৰ ঘৰলৈ গৈ থকা অৱস্থাত বাছ দুর্ঘটনাত পতিত হৈ জুলী বৰুৱাই দুয়োখন হাত হেৰুৱাইছিল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। সংগ্রামজ্যোতি চৌধুৰীয়ে ক'ৰ পৰা চাৰুকলাৰ ডিপ্লোমা লাভ কৰিছে?

(ক) 'গুৱাহাটীৰ আর্টিষ্ট গীল্ড'ৰ পৰা চাৰুকলাৰ পাঁচবছৰীয়া ডিপ্লোমা লাভ লাভ কৰিছে।

(খ) 'গুৱাহাটীৰ কলা কেন্দ্ৰ'ৰ পৰা চাৰুকলাৰ পাঁচবছৰীয়া ডিপ্লোমা লাভ কৰিছে।